# চৰ্যাপদত তৎকালিন সমাজ-চিত্ৰ

একোটা ধৰ্মীয় মতবাদ সৃষ্টি আৰু তাৰ ব্যাপক প্ৰচাৰ আৰু প্ৰসাৰৰ মুখ্য মাধ্যম হৈছে সাহিত্য। সাহিত্যই একোটা জাতিৰ বৌদ্ধিক প্ৰগতিৰ স্বৰূপ প্ৰকাশ কৰাৰ লগতে সেই জাতিটোৰ এক বিশেষ সময়ৰ ধৰ্মীয়, সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিভিন্ন চিন্তা-চৰ্চাৰ সম্যক ৰূপো দাঙি ধৰে। প্ৰাচীন ভাৰতীয় সাহিত্যৰ ইতিহাসলৈ উভতি চালে দেখা যায় যে বেদ, ব্ৰাহ্মণ, উপনিষদ, পুৰাণ আদি বিভিন্ন সময়ৰ সাহিত্যই এহাতেদি সেই সময়ৰ ভাৰতীয় মনিষী-সকলৰ বুদ্ধিমত্তাৰ পৰিচয় দিছে আৰু আনহাতেদি প্ৰাচীন ভাৰতবৰ্ষৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আদি বিভিন্ন দিশৰ ছবি দাঙি ধৰাৰ লগতে ব্ৰাহ্মণ্য ধৰ্মৰ বিভিন্ন ৰূপৰ প্ৰচাৰ আৰু প্ৰসাৰতো মুখ্য ভূমিকা গ্ৰহন কৰিছে। ব্ৰাহ্মণ্য ধৰ্মৰ বিভিন্ন ক্ৰিয়া-কাণ্ডৰ অসাৰতা উপলব্ধি কৰি খৃঃ পূঃ ৬ষ্ঠ শতিকাত বুদ্ধদেৱে যেতিয়া বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিলে, তেতিয়া তেওঁৰ শিষ্যপ্ৰশিষ্যসকলেও সত্য আৰু অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত সেই বৌদ্ধ ধৰ্মৰ ব্যাপক প্ৰচাৰ কৰি তাক এটি স্থায়ী ৰূপ দিবৰ বাবে পৰবৰ্তী কালত তিনিখন পিটক প্ৰমুখ্যে নানা ধৰ্মীয় সাহিত্য ৰচনা কৰিলে। সময় বাগৰাৰ লগে লগে বৌদ্ধ ধৰ্মৰ বিশুদ্ধ ৰূপৰ সলনি হয় আৰু ই তান্ত্ৰিক ৰূপ ল'বলৈ ধৰে। তন্ত্ৰযানেই তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ প্ৰথম স্তৰ। কাল-ক্ৰমত তান্ত্ৰিক বৌদ্ধ ধৰ্ম তিনিটা শাখাত বিভক্ত হয়। কালচক্ৰযান, বজ্ৰযান আৰু সহজযান। এই প্ৰতিটো শাখাৰে নিজা নিজা সাহিত্য আছে। তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ শেহতীয়া শাখা সহজযানীৰ মূল উদ্দেশ্য হ'ল সহজসুখ বা মহাসুখত বিলীন হোৱা। এই মহাসুখবাদী বৌদ্ধ সহজীয়াসকলৰ সাধনতত্ব প্ৰচাৰৰ উদ্দেশ্যেই খৃঃ ৮ম ১২ শ শতিকাৰ ভিতৰত চৰ্যাপদ

ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে ৰচিত হ'লেও চৰ্যাসমূহক
সমূহ ৰচিত হয়। সেই সময়ৰ উত্তৰ-পূব ভাৰতৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি
বিভিন্ন দিশৰ দলিল হিচাপে অভিহিত কৰিব পাৰি।

সময়ৰ ফালৰপৰা চৰ্য্যপদসমূহ প্ৰাচ্য মাগধী অপভ্ৰংশৰপৰা ওলোৱা বুলি কোৱা অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি ভাষাই বিকাশৰ স্বতন্ত্ৰ পথত ভৰি দিয়াৰ অব্যৱহৃত পূৰ্ববৰ্তী স্তৰৰ ৰচনা। সেয়ে ভাষাতাত্বিক দৃষ্টিৰে চালে চৰ্যাপদত যি দৰে এই কেয়োটা ভাষাৰ উমৈহতীয়া ৰূপ আমাৰ চকুত ধৰা পৰে, সমাজতান্ত্ৰিক দৃষ্টিভঙ্গীৰ ফালৰ পৰাও ধৰ্মীয় সাহিত্য এই চৰ্যাপদসমূহত অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি কেইবাখনো সমাজৰ সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্মীয় আদি দিশৰ উমৈহতীয়া ছবি আমাৰ মানস পটত ভাঁহি উঠে। কিন্তু সেই সকলো খণ্ড চিত্ৰহে। সেই সময়ৰ সমাজত প্ৰচলিত আৰু দৈনন্দিন জীৱনত ব্যৱহৃত বিশেষ কিছুমান বস্তুৰ নামোল্লেখ, পাৰিবাৰিক জীৱনত ব্যৱহৃত সম্বন্ধবাচক শব্দ আদিৰ জৰিয়তে তৎকালীক সমাজ-জীৱনৰ ভালেমান খণ্ড চিত্ৰ সিদ্ধাচাৰ্যসকলে চৰ্যাপদত সুন্দৰকৈ ফুটাই তুলিছে। অৱশ্যে এটা কথা ঠিক যে সহজীয়া সাধক বা সিদ্ধাচাৰ্যসকলৰ মূল উদ্দেশ্য সমাজ-চিত্ৰন নহয়; সহজীয়া সাধনতত্ব প্ৰচাৰ কৰাটোহে তেওঁলোকৰ প্ৰধান লক্ষ্য। কিন্তু সম-সাময়িক জমাজখনক বাদ দি ধৰ্ম প্ৰচাৰ কৰা বা সাহিত্য সৃষ্টি কৰা সম্ভৱ নহয়। সেয়ে সিদ্ধাচাৰ্যসকলে সেই সময়ৰ সমাজ-জীৱনত প্ৰচলিত বিভিন্ন উপাদানক উপমা, প্ৰতীক বা ৰূপক হিচাপে লৈ ৰহস্যময় ভাষাত তেওঁলোকৰ সাধনাৰ পথ নিৰ্দ্দেশ কৰিছে।

চৰ্যাপদত যিখন সমাজ প্ৰতিভাত হৈছে, সেইখন অভিজাত বুনিয়াদী সমাজ নহয়। শুড়ী (মদ বিক্ৰেতা), ব্যাধ, শবৰ, ডোম-ডুমুনী, চণ্ডাল, সন্ন্যাসী আদি নিম্ন শ্ৰেণীৰ সমাজৰ পৰাই সিদ্ধাচাৰ্য সকলে ৰূপক-উপমাৰ উপাদান গ্ৰহণ কৰিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ব্ৰাহ্মণ্য ধৰ্মৰ শক্তিশালী প্ৰভাৱক চেৰ পেলাই বৌদ্ধ

ধৰ্মই তেতিয়াও উচ্চ স্তৰৰ লোকৰ মাজত প্ৰাধান্য বিস্তাৰ কৰিব পৰা নাছিল। তদুপৰি সেই সময়ত উচ্চ সম্প্ৰদায়ৰ লোকে নীচ শ্ৰেণীৰ লোকক ঘৃণাৰ চকুৰে চাইছিল। সেয়েহে সিদ্ধাচাৰ্যসকলে উচ্চ শ্ৰেণীৰ দ্বাৰা অৱহেলিত ডুমুনীৰ দৰে নিম্ন শ্ৰেণীৰ লোকক তেওঁলোকৰ উপাস্যা নৈৰাত্মা দেৱীৰ লগত তুলনা কৰি সাধাৰণ লোকক উচ্চ মৰ্যাদা প্ৰদান কৰাৰ লগতে অভিজাত শ্ৰেণীৰ প্ৰতি তাচ্ছিল্যৰ মনোভাৱ এটাও চৰ্যাপদৰ মাজত ফুটাই তুলিছিল। চৰ্যাপদত তৎকালীন সমাজ-চিত্ৰন সম্পৰ্কত বঙলা ভাষাতত্ব আৰু সংস্কৃতিবিদ ডঃ সুকুমাৰ সেনে দিয়া মন্তব্য এই ক্ষেত্ৰত প্ৰণিধান যোগ্য— "চৰ্যাগীত সমূহত সমসাময়িক তুচ্ছ নীচ সাধাৰণ জীৱনৰ যি সত্য ছবি ফুটি উঠিছে, তাৰ তুলনা ক'তো পাৱলৈ নাই। এই চৰ্যাগীতবোৰত ক্ষণোদ্ভাসিত যি জীৱন-চিত্ৰ, সেয়া দেৱদেৱীৰ নহয়, ৰজা-উজীৰৰ নহয়, ব্ৰাহ্মণ-শূদ্ৰৰ নহয়, বনিক-সদাগৰৰো নহয়। ইয়াত সাহিত্যৰ ৰীতিসিদ্ধ গতানুগতিকতা নাই। কোনো ধৰণৰ অতিশয়োক্তি নাই। সেই সময়ৰ অখ্যাত অজ্ঞাত অতি সাধাৰণ লোকৰ প্ৰতিদিনৰ জীৱন-যাত্ৰাৰ আৰু আচৰণৰ বিম্বপ্ৰায় খণ্ড খণ্ড প্ৰতিৰূপ থকাত চৰ্যাগীত সমূহ জীৱন-ৰসিক ঐতিহাসিকৰ কাৰণে অতি মূল্যৱান সম্পদ হৈ পৰিছে।" গতিকে দেখা যায় যে চৰ্যাপদত সমসাময়িক সমাজৰ বিভিন্ন ছবিবোৰ ব্যাপক ৰূপত উন্মোচিত হোৱা নাই, প্ৰতীক বা ৰূপকৰ মাধ্যমত বিজুলিৰ চমকনিৰ দৰেহে সেইবোৰে চৰ্যাত ভুমুকি মাৰিছে।

ভাৰতীয় সঙ্গীত-নৃত্যৰ ইতিহাসত চৰ্যাপদে এক বিশেষ স্থান অধিকাৰ কৰি আছে। চৰ্যাপদকালীন উত্তৰ-পূব ভাৰতত ৰাগ-প্ৰধান গীতে যে বিশেষ সমাদৰ লাভ কৰিছিল, তাৰ প্ৰমাণ দিয়ে বিভিন্ন ৰাগত ৰচিত চৰ্যাগীতসমূহে। চৰ্যাৰচকসকল আছিল একো একোজন অভিজ্ঞ সঙ্গীতজ্ঞ। তেওঁলোকে আঠৈকুৰি চৰ্যাত প্ৰায় কুৰিটা ৰাগ ব্যৱহাৰ কৰিছিল। সেইবোৰ হৈছে : পটঞ্জমৰী

গবড়া, অক, গুর্জৰী, দেৱক্রী, দেশাখ, ভৈৰৱী, কামোদ, ধনসী, ৰামক্রী,
গউড়া, বৰাড়ী, গুঞ্জৰী, শবৰী, বলাড্ডি, মল্লাৰী, মালসী, মালসী-
গবুড়া, কহ্নুগুঞ্জৰী আৰু বঙ্গাল। ব্যৱহাৰিক দিশৰপৰা চালে এইবোৰ
ৰাগৰ ভিতৰত পটমঞ্জৰী আৰু কামোদ ৰাগেই বেছি জনপ্ৰিয় আছিল
বুলিব পাৰি।

চৰ্যাপদকালীন সমাজত নৃত্য-চৰ্চ্চাৰো বিশেষ প্ৰচলন আছিল বুলি বিভিন্ন চৰ্যাত থকা নৃত্যৰ উল্লেখৰ পৰা জানিব পৰা যায়। ১০ নং চৰ্যাত—

"এক সো পাডুমা চৌষট্‌ঠি পাখুড়ী
তাহ চড়ি নাচঅ ডোম্বী বাপুড়ী।"

আৰু ১৭ নং চৰ্যাত 'নাচন্তি বাজিল গান্তি দেৱী'ৰ যি চিত্ৰ ৰূপায়িত হৈছে, সিয়ে নৃত্য-গীত চৰ্চ্চাত সেই সময়ৰ মহিলাই লোৱা বিশিষ্ট ভূমিকাৰ কথা সোঁৱৰাই দিয়ে। তদুপৰি আধুনিক সঙ্গীতালেখ্যৰ দৰে নৃত্য-গীতৰ মাজেৰে নাটক অভিনীত হোৱাৰ ইঙ্গিতো ১৭ নং চৰ্যাৰ 'বুদ্ধনাটক বিসমা হোই' শাৰীটোৱে দাঙি ধৰে। নৃত্য-গীতৰ লগে লগে বীণা (একতাৰা), বাঁহী (বংশী), পটহ (পড়হ) মাদল (মাদলা), দুন্দুভি (দুংদুহি,) ডম্বৰু (ডমৰুলি,) আদি বিবিধ বাদ্যযন্ত্ৰৰ উল্লেখো চৰ্যাত মনকৰিলবগীয়া। সেইবোৰৰ পৰা চৰ্যাপদকালীন সমাজত নৃত্য-গীত আদি সুকুমাৰ কলাৰ চৰ্চ্চাই বিশেষ প্ৰসাৰ লাভ কৰিছিল বুলি জানিব পাৰি।

তান্ত্ৰিক সহজীয়া বৌদ্ধ ধৰ্ম প্ৰচাৰৰ মাধ্যম চৰ্যাগীতসমূহত সমসাময়িক আন ধৰ্মীয় বিশ্বাসৰ ছবিও চিত্ৰিত হৈছে। সেই সময়ত ধনীলোকসকলে 'হৰিহৰ ব্ৰহ্মা'ৰ প্ৰতিমা প্ৰতিষ্ঠা কৰি পূজা-অৰ্চনা কৰিছিল! দুই-এটা চৰ্যাত (৪০) সেই সময়ৰ ধাৰ্মিক লোকসকলে আগম পুথি পঢ়া, কোশা-অৰ্ঘ লৈ পূজা আৰু মালা জপ কৰাৰ কথাও উল্লেখ আছে। হাড়ৰ মালা পিন্ধি সাধনা কৰা কাপালিক যোগীৰ নট-বৃত্তি, বেশভূষা আৰু আচৰণৰ নিখুঁত ছবিও ১৮ নং

চৰ্যাত ফুটি উঠিছে। তদুপৰি ঘৰত জুই লগা আৰু সেই জুয়ে মূল্যবান সা-সম্পদৰ লগতে গৃহত থকা দেৱ-বিগ্ৰহ দগ্ধ কৰা, পানী সিঁচি জুই নুমুওৱা আদি চিত্ৰও চৰ্যাপদত দেখা যায়।

প্ৰাচীন ভাৰতীয় সমাজ-ব্যৱস্থা কৃষিৰ ওপৰত নিৰ্ভৰশীল। চহকী কৃষক সকলে কৃষি-কৰ্মৰ বাবে বলধ আৰু গাখীৰৰ বাবে গাই পুহিছিল। ভাত আছিল সেই সময়ৰ মানুহৰ প্ৰধান খাদ্য। এতিয়াৰ দৰে চৰ্যাপদৰ সময়তো সমাজত ধনী-দুখীয়া দুটা শ্ৰেণী আছিল। দুখীয়া লোকসকলে দুবেলা-দুসাজ ভাতৰ কাৰণে চিন্তা কৰিব লগা হৈছিল। ভাৰতীয় মানুহ অতিথি পৰায়ণ। নিদাৰুণ দাৰিদ্ৰৰ মাজত থাকিও তেওঁলোকে অতিথি শুশ্ৰূষা কৰাৰ কথা "হাঁড়ীতে ভাত নাই নিতি আবেশী' (৩৩) উক্তিৰ পৰাই জানিব পাৰি। আনহাতে ধনী লোকসকলে ৰজাৰ তাম্ৰ শাসন, দলিল আদিৰ দ্বাৰা প্ৰচুৰ ভূ-সম্পত্তি ভোগ কৰাৰ ছবিও কোনো কোনো চৰ্যাত (৪৭) ফুটি উঠিছে।

চৰ্যাপদত নিম্ন বৃত্তিধাৰী মানুহৰ জীৱন-চৰ্যাই বিশেষ ভাবে প্ৰাধান্য লাভ কৰিছে। তাঁতী, চিকাৰী; কৈৱৰ্ত্ত, কাপালিক যোগী আদি নিম্ন শ্ৰেণীৰ বিভিন্ন লোকজীৱন আৰু তেওঁলোকৰ কৰ্মক সিদ্ধাচাৰ্যসকলে ধৰ্মীয় সাধনাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰিছিল। দ্ব্যৰ্থবোধক সেই প্ৰতীকসমূহৰ মাজেদিয়ে তৎকালীন জন-সমাজে তাঁত বৈ, কঠ বৈ, কপাহ ধুনি, নাও বাই, বাঁহ-বেতৰ কাম কৰি, হাতী পুহি জীৱন-নিৰ্বাহ কৰাৰ ছবি অতি সজীৱ হৈ উঠিছে। এনেবোৰ কৰ্মত নাৰীৰ ভূমিকা মন কৰিব লগীয়া। বিশেষকৈ নাৱেৰে নদী পাৰ কৰোৱাত ডোম যুৱতী সকল বৰ পটু আছিল আৰু তাৰ বাবে যাত্ৰীৰ পৰা পাৰিশ্ৰমিক হিচাপে 'কড়ি-বুড়ি' লৈছিল। সৰু জান-জুৰি পাৰ হ'বৰ বাবে সেই সময়ত মানুহে গছ ফালি তক্তা উলিয়াই দৃঢ় সাঁকো নিৰ্মান কৰাৰ ছবিও দুই-এটি চৰ্যাত (৫) পোৱা যায়।

জালেৰে মাছ মৰা আৰু হৰিণ চিকাৰ কৰা সেই সময়ৰ মানুহৰ প্ৰধান ব্যৱসায় আছিল। ইয়াৰপৰা সেই সময়ত মাছ আৰু হৰিণা আদি আন বন্য প্ৰাণীৰ মঙহ মানুহৰ প্ৰিয় খাদ্য আছিল বুলি অনুমান কৰিব পাৰি। চৰ্যাপদকালীন সমাজত বিশেষকৈ নিম্ন শ্ৰেণীৰলোকৰ মাজত মদৰ ব্যৱসায়ৰো বিশেষ প্ৰচলন আছিল। এই ক্ষেত্ৰত মহিলাই বিশেষ ভূমিকা লৈছিল। তেওঁলোকে এক আচুতীয়া ঠাইত মদ বিক্ৰি কৰিছিল। ৩ নং চৰ্যাত সিদ্ধাচাৰ্য বিৰূৱা-পাদে ৰহস্যময় ভাষাৰে সেই সময়ত কেনেকৈ মদ তৈয়াৰ কৰা হৈছিল আৰু শুড়িসকলৰ ঘৰত থকা প্ৰতীক চিহ্ন চাই গ্ৰাহকে কেনেকৈ মদৰ ভাটি বিচাৰি উলিয়াছিল, তাৰো এখনি সুন্দৰ ছবি অংকন কৰিছে।

চৰ্যাপদত সাধাৰণ মানুহে দৈনন্দিক জীৱনত ব্যৱহাৰ কৰা বিভিন্ন বস্তুৰ নাম পোৱা যায়। হাড়ী (চৰু)’ পিটা (গাখীৰ খিৰোৱা পাত্ৰ), ঘড়ি (ঘটি), ঘড়লী (ঝাৰ) আদি বাচন-বৰ্তনে সেই সময়ৰ মানুহৰ জীৱন ধাৰণৰ মানদণ্ডৰ কিছু ইঙ্গিত দিয়ে। তদুপৰি খৰি ফালিবৰ বাবে ‘কুঠাৰ’ আৰু খেতি-পথাৰ তথা শাক-পাচলিৰ বাৰীত কাম কৰিবৰ বাবে খন্তি (নখালি) ব্যৱহাৰ কৰিছিল বুলিও জানিব পৰা যায়।

চৰ্যাকালীন সমাজত নীচ জাতিৰ লোকে উচ্চ জাতিৰ লোক বসতিৰ পৰা ভালেমান আঁতৰত বাস কৰিব লাগিছিল। ১০ নং চৰ্যাত আছে—

“নগৰ বাহিৰি ৰে ডোম্বি তোহোৰি কুড়িআ
ছোই ছোই জাই ব্ৰাহ্মণ নাড়িআ।”

অৰ্থাৎ নগৰৰ বাহিৰত অৱস্থিত কুটিৰত ডোম যুৱতী থাকে; তাই অস্পৃশ্য। কিন্তু ব্ৰহ্মচাৰী ভ্ৰষ্ট ব্ৰাহ্মণসকলে তাইক নিঃসঙ্কোচে চুই চুই যায়। তাইৰ যৌৱনৰ উচ্ছলতাত ব্ৰাহ্মণবোৰ চৰু

14/09/2023 1

কিন্তু তাইক সম্পূৰ্ণৰূপে লাভ কৰিবলৈ অক্ষম। ইয়াৰ দ্বাৰা সেই সময়ত উচ্চ-নীচৰ মাজত থকা শ্ৰেণী বৈষম্য অতি সুন্দৰকৈ ফুটি ওলাইছে।

সুসুৰা, সাসু, বহুড়ী, ননন্দ আদি শব্দ প্ৰতীক হিচাপে বিভিন্ন চৰ্যাত ব্যৱহৃত হৈছে আৰু সেইবোৰৰ দ্বাৰা চৰ্যাপদত গাৰ্হস্থ জীৱনৰ ছবিও খণ্ডিত ৰূপত সজীৱ হৈ উঠিছে। ২, ৪ আৰু ১১ নং চৰ্যাত শাহু, শহুৰ, ননদ আৰু বোৱাৰীৰে পৰিবেষ্টিত এখনি ভৰা সংসাৰৰ ছবি সুন্দৰকৈ ফুটি ওলাইছে। কোনো কোনো চৰ্যাত খুৰশালীৰ (শ্যালী) ভূমিকাও মন কৰিবলগীয়া। ৫০ নং চৰ্যাত শবৰপাদে আদিবাসীসকলৰ সজীৱ জীৱন-চিত্ৰ নিখুঁতভাৱে চিত্ৰিত কৰিছে। চিত্ত অচিত্তত লীন যোৱা—এই দাৰ্শনিক ভাৱ ফুটাই তুলিবলৈ গৈ সিদ্ধাচাৰ্য গৰাকীয়ে শবৰ-শবৰীৰ পূৰ্বৰাগ আৰু প্ৰথম বিৰহৰ বৰ্ণনা, মদমত্ততা, অতিৰিক্ত সুৰাপানত শবৰৰ মৃত্যু আৰু তেওঁৰ শৱ সংকাৰৰ বৰ্ণনা অতি বাস্তৱ আৰু সতেজ ৰূপত দাঙি ধৰিছে।

চৰ্যাপদকালীন সমাজৰ বিবাহ-পদ্ধতি সম্পৰ্কেও কৃষ্ণপাদৰ ১৯ নং চৰ্যাৰ পৰা জানিব পাৰি। আজিৰ দৰে সেই সময়তো বিয়াত পটহ, মাদল, দুন্দুভি আদি বাদ্য যন্ত্ৰ বজোৱা হৈছিল আৰু ছোৱালীৰ লগত যৌতুক দিয়া প্ৰথাৰ প্ৰচলন আছিল। কোনো কোনো চৰ্যাত চৰ্যাৰচকে এজন কাপালিক যোগীৰ নীচ জাতিৰ লগত হোৱা অবৈধ প্ৰেমৰো ছবি আঁকিছে—'আলো ডোম্বী তোএ সম কৰিবে ম সাঙ্গ' (১০)। কৃষ্ণপাদৰ আন এটি চৰ্যাত (১৩) নাৱেৰে অভিসাৰ যাত্ৰা কৰাৰ ছবিও ফুটি উঠিছে।

সৌন্দৰ্য চৰ্চ্চা কৰাটো নাৰীসকলৰ এটি স্বাভাৱিক প্ৰবৃত্তি। নিজকে ৰূপৱতী কৰিবলৈ তেওঁলোকে যুগে যুগে নানা ধৰণৰ সাজ-পাৰ আৰু আ-অলংকাৰ পৰিধান কৰে। চৰ্যাপদতো নাৰীসকলৰ সৌন্দৰ্য চৰ্চ্চাৰ বিস্তৰ উদাহৰণ দেখা পোৱা যায়। সেই সময়ত নাৰীসকলে সোণ-ৰূপৰ নেপুৰ, কঙ্কণ, মুক্তাহাৰ, কুণ্ডল আদি বিবিধ

অলংকাৰ পৰিধান কৰিছিল। ২৮ নং চৰ্যাৰ পৰা জানিব পাৰি যে নাৰীয়ে খোপাত ময়ূৰৰ পাখি আৰু ফুল গুজি লৈছিল আৰু ডিঙিত 'গুঞ্জাৰ মালা' পিন্ধিছিল। বিলাসৰ সামগ্ৰী হিচাপে দাপোণ ব্যৱহাৰ কৰাৰ উল্লেখো (৩) নং চৰ্যাত পোৱা যায়—'হাথেৰ কাঙ্কণ মা লেউ দাপন।'

সেই সময়ত চোৰ-ডকাইতৰ বিশেষ প্ৰাদুৰ্ভাৱ আছিল। 'কানেট চোৰে নিল অধৰাতী' (২) আদি কথাই তাৰেই প্ৰমাণ দিয়ে। চোৰৰ উপদ্ৰৱৰপৰা হাত সাৰিবৰ বাবে দুৱাৰত তলা-চাবি (কোঞ্চাতাল) লগোৱাৰো ব্যৱস্থা আছিল। জলপথ আৰু স্থলপথতো মানুহ ডকাইৰ দ্বাৰা সৰ্বশ্ৰান্ত হৈছিল। এনেবোৰ সামাজিক দুষ্কৃতি ৰোধ কৰি সমাজত শান্তি-শৃঙ্খলা প্ৰতিষ্ঠিত কৰিবৰ কাৰণে তেতিয়াৰ দিনত 'থানা বা কাছাৰী (উআৰি) আৰু দাৰোগা (দুষাধী) পদবীও আছিল। ইয়াৰপৰা সেই সময়ৰ সুন্দৰ প্ৰশাসনীয় ব্যৱস্থাৰ উমান পাব পাৰি।

আমোদ-প্ৰমোদৰ কাৰণে সেই সময়ত মানুহে বিভিন্ন ধৰণৰ খেলা-ধূলা কৰিছিল। সেইবোৰৰ ভিতৰত ডবা খেল (নঅবল) বেচ জনপ্ৰিয় আছিল যেন লাগে। ডবা খেলৰ ৰজাজনক ঠাকুৰ বোলা হৈছিল। ১২ নং চৰ্যাত ডবা খেলৰ দ্বাৰা ধৰ্মতত্ত্ব ব্যাখ্যা কৰিবলৈ হাতীৰ (গজবৰ) দ্বাৰা পাঁচজন সৈন্য নিহত আৰু শেষত মন্ত্ৰীৰ হাতত ঠাকুৰ বা ৰজাৰ পৰাজয় দেখুওৱা হৈছে।

চৰ্যাপদত নদী মাতৃক অসম আৰু বঙ্গ দেশৰ বহু ছবি দেখা যায়। নাব, নাৱী, নাবড়ী, ভেলা আদি বিভিন্ন প্ৰকাৰৰ নৌকা যানৰ নাম আৰু কেড়ুআল, খুন্টি, কাচ্ছি, সাঙ্গ, পিট, দুখোল, চকা, পতৱাল, নাৱী, গুন আদি নৌকাৰ বিবিধ সজুলিৰ নাম কামলী, কাহ্নু, ডোম্বী, শান্তি, সৰহ, ভুসুকু আদি চৰ্যাৰচকৰ বিবিধ চৰ্যাত পোৱা যায়। ইয়াৰপৰা অনুমান কৰিব পাৰি যে সেই সময়ত নৌকাই প্ৰধান জলযান আছিল। স্থলযানৰ ভিতৰত ৰথৰ উল্লেখ মনকৰিবলগীয়া।

14/09/2023

এইদৰে চৰ্যাপদত ৮ম-১২ শ শতিকাৰ উত্তৰ-পূব ভাৰতীয় সমাজ-খনৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক জীৱনৰ ভালেমান খণ্ড-চিত্ৰ সজীৱ আৰু নিখুঁতভাৱে চিত্ৰিত হৈছে। আঠ বা দহশাৰীয়া একোটি চৰ্যাৰ মাজত পূৰ্ণ চিত্ৰ বিচাৰি যোৱাটোও অবাস্তৱ। তদুপৰি চৰ্যাৰচকৰ উদ্দেশ্য সমাজ-চিত্ৰন নহয়, গভীৰ সহজীয়া সাধনতত্ত্ব প্ৰচাৰ কৰাহে। তাকে কৰিবলৈ যাওঁতে তেওঁলোকে সহায় লৈছে তৎকালীন সমাজ-জীৱন-দ্যোতক ভালেমান ৰূপক, উপমা, প্ৰতীক আদি অলঙ্কাৰৰ। চৰ্যাৰ ভাষাক অসমীয়া, বঙলা, উৰিয়া, মৈথিলী আদি ভাষাই নিজৰ বুলি দাবী কৰাৰ দৰে চৰ্যাপদত চিত্ৰিত তৎকালীন সমাজ-চিত্ৰনো কেউখন সমাজে নিজৰ নিজৰ বুলি দাবী কৰাৰ থল আছে। কিয়নো ঢাক-ঢোল বজাই বৰে বিবাহ কৰিবলৈ যোৱা চিত্ৰ কেৱল অসমীয়া সমাজতে নহয়, বঙলা, উৰিয়া, মৈথিলী আদি সমাজতো আছে। সেইদৰে প্ৰেম, বিবাহ, মৃত্যু, মৃত্যুৰ পিছত কৰা শৱ সৎকাৰ, শাহু-শহুৰ-ননদ-বোৱাৰীৰে পৰিবেষ্টিত সংসাৰ, ঘৰত জুই লগা, চোৰে চুৰ কৰা, চিকাৰ কৰা প্ৰভৃতি চিত্ৰ সমূহে দৰাচলতে সামূহিক সমাজজীৱনকে প্ৰতিফলিত কৰে। চৰ্যাপদত এইদৰে বিভিন্ন সমাজ-জীৱনৰ চিত্ৰ ফুটি উঠাৰ এটি প্ৰধান কাৰণ হ'ল, চৰ্যাৰচকসকল একে ঠাইৰে লোক নহয়। "ৰাহুল সংকৃত্যায়ন প্ৰভৃতিয়ে বৌদ্ধতান্ত্ৰিক চৌৰাশী সিদ্ধৰ পৰিচয় দিবৰ কাৰণে চেষ্টা কৰিছে, আৰু কৰ্ণাট, সৌৰাষ্ট্ৰ, কপিলবস্তু, নালন্দা, গৌড়, বঙ্গাল দেশ, উজ্জয়িনী, শ্ৰাৱস্তী আদি ঠাইত ক্ৰমে কাহ্নু, ভুসুকুপাদ, কুক্কুৰীপাদ, আজদেৱ, বীণা, জয়নন্দি তন্ত্ৰী, আদি সিদ্ধসকলক সংস্থাপন কৰিছে।" সৰহপা আৰু লুইপাৰ নাম কামৰূপৰ লগত জড়িত। বিভিন্ন ঠাইৰ সিদ্ধাচাৰ্যসকলৰ বিভিন্ন চৰ্যাত ভিন্ ভিন্ সমাজ-জীৱনৰ চিত্ৰ প্ৰস্ফুটিত হৈ উঠাটোৱে স্বাভাৱিক। গতিকে চৰ্যাত বৰ্ণিত সজীৱ খণ্ড চিত্ৰবোৰ একান্তভাৱে অসমীয়া বা বঙলা সমাজৰ চিত্ৰ নহয়, আচলতে সেয়া সমগ্ৰ ভাৰতৰ সমৃদ্ধ সমাজ তথা সাংস্কৃতিক জীৱনৰহে চিত্ৰ।